# MyCARE

মোৰ সৈতে, পথৰ প্ৰতিটো খোজতে



"আহক অধিক জানি লওঁ
এনে ৰোগীৰ ইনচুলিনৰ
বিষয়ে যাৰ আছে
**টাইপ 1 ডায়েবেটিছ**"

USV

আপুনি যেতিয়া আহাৰ খায়,
তেতিয়া তাত থকা কাৰ্বহাইড্ৰেট
গ্লুক’জলৈ পৰিণত হয় আৰু তাৰপিছত
**ৰক্তপ্ৰবাহলৈ সেইখিনি গুচি যায়।**



যেতিয়া আপোনাৰ ব্লাড চুগাৰ
অৰ্থাৎ ৰক্ত শৰ্কৰাৰ মাত্ৰা বৃদ্ধি পায়,
**তেতিয়া অগ্ন্যাশয়ে ইনচুলিন নামৰ**
**এবিধ হৰম'ন এৰি দিয়ে।**



ইনচুলিনে ৰক্ত শৰ্কৰা (গ্লুক’জ)
**ৰক্তপ্ৰবাহৰ পৰা শৰীৰৰ কোষলৈ**
লৈ যোৱাত সহায় কৰে,
য’ত সেই গ্লুক’জ শক্তি
পাবলৈ ব্যৱহাৰ কৰা হয়।



**টাইপ 1 ডায়েবেটিছৰ** ক্ষেত্ৰত, অটোইমিউন প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে, **শৰীৰৰ ইমিউন চিষ্টেমে ইয়াৰ নিজৰ এনে কোষবোৰকে আক্ৰমণ কৰে যি ইনচুলিন প্ৰস্তুত কৰে।**

তেনে ক্ষেত্ৰত শৰীৰে অতি কম ইনচুলিন প্ৰস্তুত কৰে বা একেবাৰেই নকৰে, ফলস্বৰূপে ৰক্তপ্ৰবাহত ৰক্ত শৰ্কৰাৰ পৰিমাণ বহুত বেছি হৈ পৰে।



**টাইপ 1 ডায়েবেটিছক** আগতে জনা গৈছিল **ইনচুলিন-নিৰ্ভৰশীল** বা **জুভেনাইল ডায়েবেটিছ** ৰূপে কাৰণ ইয়াক ল'ৰালিকালত, কৈশোৰ বা যুৱক অৱস্থাত হোৱা দেখা গৈছিল, অৱশ্যে ই যি কোনো বয়সতে দেখা দিব পাৰে।

সেই কাৰণেই টাইপ 1 ডায়েবেটিছত ভুগি থকা লোকসকলে **দৈনিক বাহ্যিক ইনচুলিন লোৱাৰ প্ৰয়োজন হৈ পৰে** যাতে তেওঁলোকৰ ৰক্ত শৰ্কৰাৰ মাত্ৰা স্বাভাৱিক সীমাত থাকিব পাৰে।



**বাহ্যিক ইনচুলিন** থেৰাপীয়ে মাত্ৰ শৰীৰে সাধাৰণতে প্ৰস্তুত কৰা **ইনচুলিনখিনিৰ অভাৱ পূৰাই দিয়ে।**



## আজি-কালি বিভিন্ন প্ৰকাৰৰ ইনচুলিন পোৱা যায়।

আপোনাৰ জীৱন শৈলী আৰু ৰক্ত শৰ্কৰাৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি আপোনাৰ চিকিৎসকে সিদ্ধান্ত লব আপোনাৰ বাবে কোন প্ৰকাৰৰ ইনচুলিন আৰু তাক কেতিয়া কেতিয়া লোৱাৰ প্ৰয়োজন।



দ্ৰুত ক্ৰিয়াশীল



মধ্যবৰ্তী



সুদীৰ্ঘভাৱে ক্ৰিয়াশীল

উপৰোক্ত চিত্ৰ কেৱল প্ৰতীকাত্মক উদ্দেশ্যেৰে দিয়া হৈছে।



“মনত ৰাখিব, **ইনচুলিন হ’ল এক নিৰাপদ আৰু বিশ্বাসযোগ্য সঙ্গী,** যি আপোনাক এক সুখী, সুদীৰ্ঘ আৰু নিৰোগী জীৱন অতিবাহিত কৰাত সহায় কৰিব।”



“টাইপ 1 ডায়েবেটিছত ভুগি থকা লোকৰ বাবে **ইনচুলিন হ’ল প্ৰাণ ৰক্ষক** আৰু আপুনি এই **ইনচুলিন লোৱাটো আপোনাৰ চিকিৎসা কৰি থকা চিকিৎসকক নজনোৱাকৈ কেতিয়াও বন্ধ কৰি নিদিব।**”

# MyCARE

মোৰ সৈতে, পথৰ প্ৰতিটো খোজতে

## সন্দৰ্ভ


1. হোৱাট ইজ ডায়েবেটিজ। চিডিচি (2021)। উদ্ধৃত কৰা তাৰিখ 6 জুলাই 2022 আৰু উৎস https://www.cdc.gov/diabetes/basics/diabetes.html#:~:text=Diabetes%20is%20a%20chronic%20(long,your%20pancreas%20to%20release%20Insulin.

2. এবাউট ডায়েবেটিছ। ইন্টাৰনেশ্যনেল ডায়েবেটিছ ফেডাৰেশ্যন (আইডিএফ)। উদ্ধৃত কৰা তাৰিখ 7 জুলাই 2022 আৰু উৎস https://www.idf.org/aboutdiabetes/type-1-diabetes.html



**Disclaimer:**
"The guide/presentation/content/literature is for general information, guidance and educational purposes only and is not complete or exhaustive. The guide/presentation/content/literature is not intended or implied to replace or substitute any current practice and or advice/guidance/diet provided by healthcare professionals. This guide/presentation/content/literature does not constitute any treatment/therapy/medication/diet/opinions for any patients who are on diabetes medication, the patients are required to prior consult their healthcare professional before acting on any change on treatment/therapy/ medication/diet and or opions. USV Private Limited makes no representations as to accuracy, completeness, correctness, suitability or validity of any information contained in this guide/presentation/content/literature and will not be liable for any losses, injuries or damages arising from its use."


জনহিতাৰ্থে প্ৰচাৰকৰ্তা USV